# ক'লা চাউলৰ খেতিৰে বিখ্যাত গোৱালপাৰাৰ কৃষক উপেন্দ্ৰ ৰাভা

ড° ভূমিধৰ কলিতা




ক'লা চাউল! ক'লা ধানৰ সৈতে আমাৰ কৃষক পৰিচিত, ক'লা ধানৰ পৰা ওলোৱা চাউলো বগায়েই হয়। ইয়াত নতুনত্ব একো নাই। কিন্তু ক'লা চাউল? সাধাৰণতে বগা বা ৰঙা চাউলৰ সৈতে অভ্যস্ত আমাৰ কৃষক ৰাইজৰ বাবে ক'লা ৰঙৰ চাউলৰ কথা নিতান্তই আচহুৱা বুলিয়েই ক'ব লাগিব।

আৰু তেনে এবিধ আচহুৱা ধান বা চাউলৰ খেতিত লাভ কৰা সফলতাৰ বাবেই শেহতীয়াভাবে আমাৰ এগৰাকী প্ৰগতিশীল কৃষকে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰিছে।

কৃষকগৰাকীৰ নাম উপেন্দ্ৰ ৰাভা। ঘৰ গোৱালপাৰা জিলাৰ আমগুৰিপাৰাত। সদায় নতুনৰ সন্ধানত থকা, অধ্যৱসায়ী এই কৃষকগৰাকীৰ কথা কোৱাৰ আগেয়ে ক'লা চাউলৰ বিষয়ে অলপ কৈ লোৱাটো ভাল হ'ব।

অন্য চাউল বা দানাজাতীয় শস্যৰ তুলনাত অধিক মাত্ৰাত এন্থ'চায়েনিন নামৰ এবিধ যৌগ থকা ডাঠ ক'লা বৰণৰ এই চাউলবিধ খাদ্য প্ৰস্তুত কৰাৰ পাছত পূৰৈৱৰণীয়া হৈ পৰে। যিকোনো ধৰণৰ পৰমান্নৰ উপৰিও পৰিজ আদিৰ দৰে খাদ্য সম্ভাৰ প্ৰস্তুত কৰাৰ বাবে এই চাউলবিধ উপযোগী। যথেষ্ট পুষ্টিকৰ এই চাউলবিধত ১৮ বিধ এমিনো এচিড, লো, জিংক, কপাৰ, কেৰ'টিন আদি থকাৰ উপৰিও কেইবাবিধো ভিটামিনেৰে ই সমৃদ্ধ। চীন দেশত এই ক'লা চাউলবিধক কিডনি তথা পেট আৰু লিভাৰৰ অসুখৰ ক্ষেত্ৰত পথ্য হিচাপে ব্যৱহাৰ কৰা হয়। যথেষ্ট পৰিমাণৰ এন্টিঅক্সিডেন্ট, আঁহ আৰু কম শৰ্কৰাযুক্ত এই ক'লা চাউলবিধক আধুনিক বিশ্বই 'চুপাৰ ফুড' হিচাপে আখ্যা দিছে। এইবিধ ধানৰ খেতি মধ্যমীয়া ওখ মাটিত ভাল হয়। ১১০-১২০ দিন কৃষিকালযুক্ত এইবিধ ধান গছৰ উচ্চতা ৩-৩.৫ ফুট হয়। জুলাই-আগষ্ট মাহত বীজ সিঁচা এইবিধ ধান ফুলিবলৈ আৰম্ভ কৰিলে পথাৰত এক মিঠা সুগন্ধ বিয়পি পৰে। এইবিধ ধানৰ গড় উৎপাদন প্ৰতি হেক্টৰত ২ টন।



আকৌ আহো উপেন্দ্ৰ ৰাভাৰ প্ৰসংগলৈ। দুধনৈৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ আঁচনি সমন্বয়ক ড° ইউ.কে. বৰুৱাই সংগ্ৰহ কৰা এই ক'লা ধানৰ সঁচবিধৰ কেইটামান ধান গোৱালপাৰাৰ জিলা কৃষি বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰা সময়ত এই লেখকে আনি পৰীক্ষামূলকভাবে দিছিল উপেন্দ্ৰ ৰাভাক। ২০১১ চনত ৰাভাই এজোপা ধান গছৰ পৰা উৎপাদন কৰিলে ১৫০ গ্ৰাম ধান। ২০১২ চনত সেই ১৫০ গ্ৰাম ধানৰ পৰাই লাভ কৰিলে ৩০ কিলোগ্ৰাম ধান। তেনেদৰে ২০১৩ চনত তেওঁ সেইখিনি ধানকেই বীজ হিচাপে ব্যৱহাৰ কৰি ০.৮ হেক্টৰ মাটিৰ পৰা উৎপাদন কৰিলে ১৬০০ কিলোগ্ৰাম ধান। এই ক'লা চাউলবিধৰ গুণ আৰু কৃষক আৰু উপভোক্তাৰ মাজত ইয়াৰ সম্ভাব্য জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি ২০১৪ চনত কৃষি বিভাগে ৰূপায়ণ কৰা আত্মা আঁচনিৰ অধীনত আমগুৰিপাৰা গাঁৱত ৩৩ টা প্ৰদৰ্শনমূলক খেতিৰ জৰিয়তে এইবিধ মূল্যবান ধানৰ খেতিৰ সম্প্ৰসাৰণ কৰা হয়। বৰ্তমান অঞ্চলটোত উপেন্দ্ৰ ৰাভাক এই ক'লা চাউলৰ খেতিৰ পথ প্ৰদৰ্শন বুলিলেও অত্যুক্তি কৰা নহ'ব।

*(লেখক কৃষি বিভাগৰ উদ্যান শস্য সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক)*